**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-09-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈৰ পৰা কাৰ্যকৰী হ'বলগীয়া সামগ্ৰী আৰু সেৱা কৰৰ নতুন সংস্কাৰ সন্দৰ্ভত আজি দেশবাসীক সম্বোধন কৰে।

২। অসমৰ জনপ্ৰিয় গায়ক তথা প্ৰতিটো প্ৰজন্মৰ হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গৰ বিয়োগত দেশৰ বিভিন্ন ঠাইত শ্ৰদ্ধাঞ্জলি জনোৱা হয়।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাইলৈ অৰুণাচল প্ৰদেশ আৰু ত্ৰিপুৰা ভ্ৰমণ কৰিব।

৪। আন্তঃৰাষ্ট্ৰীয় শান্তি দিৱস উপলক্ষে এখন শান্তিপূৰ্ণ বিশ্ব গঢ়াৰ ক্ষেত্ৰত সকলোৰে সমান দায়িত্ব আছে বুলি নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেফিউ ৰিঅ'ই দোহাৰে। ***আৰু***

৫। এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি হ'বলগীয়া ছুপাৰ ফ'ৰ পৰ্যায়ৰ দ্বিতীয়খন খেলত ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ অৰ্থাৎ নৱৰাত্ৰিৰ প্ৰথম দিনটোৰ পৰা কাৰ্যকৰী হ'বলগীয়া সামগ্ৰী আৰু সেৱা কৰৰ নতুন সংস্কাৰ সন্দৰ্ভত আজি দেশবাসীক সম্বোধন কৰে। শ্ৰীমোদীয়ে ৰাষ্ট্ৰক উদ্দেশ্যি দিয়া ভাষণত জি এছ টি সঞ্চয় উৎসৱ কাইলৈৰ পৰা আৰম্ভ হ'ব আৰু জনসাধাৰণে নিজৰ পচন্দৰ সামগ্ৰী কম দামতে ক্ৰয় কৰিব পাৰিব বুলি উল্লেখ কৰে। তেওঁ কয়, যে এই সংস্কাৰৰ জৰিয়তে ৰাষ্ট্ৰৰ বিকাশৰ গাথা সলনি হ'ব আৰু যুৱ প্ৰজন্ম, নৱ্য মধ্যবিত্ত শ্ৰেণী, কৃষক, মহিলা আৰু উদ্যমীসকল এই সঞ্চয় উৎসৱৰ পৰা লাভান্বিত হ'ব। প্ৰতিখন ৰাজ্যৰে দেশৰ বিকাশৰ যাত্ৰাত সম অংশীদাৰিত্ব থাকিব বুলি তেওঁ উল্লেখ কৰে। জি এছ টিৰ নতুন সংস্কাৰ, সঞ্চয় উৎসৱ আৰু নৱৰাত্ৰি উপলক্ষে প্ৰধানমন্ত্ৰীয়ে দেশবাসীক ওলগ জনায়। শ্ৰীমোদীয়ে কয়, যে তেওঁৰ চৰকাৰে কৰ ব্যৱস্থাক সৰলিকৃত কৰিছে। ২০১৪ চনত ক্ষমতালৈ অহাৰ পাছতে তেওঁৰ চৰকাৰে ৰাজ্য আৰু অংশীদাৰীসকলৰ সৈতে আলোচনা কৰি জি এছ টি প্ৰৱৰ্তনত অগ্ৰাধিকাৰ দিছিল বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ প্ৰচেষ্টাৰ ফলত বিভিন্ন ধৰণৰ কৰ কৰ্তন কৰা হৈছিল বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে অত্যাৱশ্যকীয় সামগ্ৰী, ঔষধ আৰু স্বাস্থ্য বীমাক ৫ শতাংশতকৈ কম কৰৰ আওতাত ৰখা হৈছে। যোৱা ১২ বছৰত ২৫ কোটি লোক দৰিদ্ৰতাৰ পৰা মুক্ত হোৱাৰ বিষয়টো প্ৰধানমন্ত্ৰীয়ে সন্তুষ্টি প্ৰকাশ কৰে। নৱ্য মধ্যবিত্ত শ্ৰেণীটোৰ নিজস্ব আশা, আকাংক্ষা আছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে তেওঁলোকৰ কৰৰ বোজা হ্ৰাস কৰাৰ বাবে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয়, যে জি এছ টিৰ নতুন সংস্কাৰৰ ফলত দৰিদ্ৰ, নৱ্য মধ্যবিত্ত শ্ৰেণী আৰু মধ্যবিত্ত শ্ৰেণীৰ দুগুণ লাভ হ'ব, কিয়নো বিভিন্ন সা-সামগ্ৰী আৰু বাহনৰ ক্ষেত্ৰত তেওঁলোকৰ ব্যয় কম হ'ব। এই সংস্কাৰৰ ফলত হোটেলৰ খৰচ কমিব আৰু পৰ্যটন খণ্ডত ব্যয়সাধ্য হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ

কৰে। শ্ৰীমোদীয়ে কয়, যে চৰকাৰে নাগৰিক **দেৱো ভৱঃ** মন্ত্ৰে অগ্ৰসৰ হৈছে। দেশৰ নিৰ্মাণ খণ্ডক শক্তিশালী কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহক উন্নতমানৰ সামগ্ৰী প্ৰস্তুত কৰি দেশক গৌৰৱান্বিত কৰিবলৈ তেওঁ আহ্বান জনায়।

০০০০০

অসমৰ জনপ্ৰিয় গায়ক তথা প্ৰতিটো প্ৰজন্মৰ হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গৰ বিয়োগত দেশৰ বিভিন্ন ঠাইত শ্ৰদ্ধাঞ্জলি জনোৱা হয়। জুবিন গাৰ্গৰ পাৰ্থিৱ শৰীৰ আজি অসমলৈ লৈ অহাৰ পাছত অভূতপূৰ্ব জনসমাগমে শিল্পীগৰাকীক বাসগৃহলৈ লৈ আহে। বাসগৃহত পৰিয়ালৰ সদস্যসকলে শেষ শ্ৰদ্ধা জনোৱাৰ পাছত তেওঁৰ পাৰ্থিৱ শৰীৰ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত গুণমুগ্ধসকলৰ শেষ দৰ্শনৰ বাবে ৰখা হৈছে। জনসাধাৰণে ধাৰাসাৰ বৰষুণকো নেওচি, ভিৰ ঠেলি হিয়াৰ আমঠু শিল্পীগৰাকীক অন্তিম শ্ৰদ্ধা জ্ঞাপন কৰিছে। শিল্পীগৰাকীক সকলো অনুৰাগীয়ে শ্ৰদ্ধাঞ্জলি জনাব পৰাকৈ আজি গোটেই নিশা আৰু কাইলৈও ষ্টেডিয়াম খোলা থাকিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। অগণন জনতাৰ এই স্বতঃস্ফূৰ্ত আন্তৰিকতাত অভিভূত জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গে সকলোকে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে শান্তি আৰু সংযমেৰে শিল্পীগৰাকীৰ শেষ যাত্ৰাৰ অংশ হ'বলৈ আহ্বান জনায়। শিল্পীগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপনৰ বাবে যোৱা অগণন অনুৰাগীৰ সুবিধা হোৱাকৈ আজি ৰাষ্ট্ৰীয় ঘাইপথেৰে বাণিজ্যিক বাহনৰ চলাচল বন্ধ ৰখা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাইলৈ অৰুণাচল প্ৰদেশ আৰু ত্ৰিপুৰা ভ্ৰমণ কৰিব। এই ভ্ৰমণৰ বাবে ত্ৰিপুৰাত প্ৰয়োজনীয় প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। প্ৰধানমন্ত্ৰীয়ে কাইলৈ ত্ৰিপুৰাত **প্ৰাসাদ** আঁচনিৰ অধীনত মাতা ত্ৰিপুৰা সুন্দৰী মন্দিৰৰ চৌহদত নতুনকৈ গঢ়ি তোলা বুনিয়াদী সা-সুবিধা আৰু সৌন্দৰ্যবৰ্ধন কাৰ্যৰ মুকলি কৰিব। আৰক্ষী মহাপৰিদৰ্শক ইপ্পৰ মঙ্গকে কয়, যে মন্দিৰ চৌহদৰ লগতে গোমতি জিলা আৰু উদয়পুৰ চহৰত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। অ'টিপিচি পালাতনাৰ পৰা মন্দিৰলৈ এটা ১২ কিলোমিটাৰৰ ৰোড শ্ব'ৰ পৰিকল্পনা কৰা হৈছে। সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলাৰ বাবে ত্ৰিপুৰা আৰক্ষীৰ লগতে চি আৰ পি এফ আৰু বি এছ এফ জোৱানকো নিয়োগ কৰা হৈছে। এই পুনৰ নিৰ্মাণ কাৰ্যৰ উদ্বোধন কৰাৰ পাছতে প্ৰধানমন্ত্ৰীয়ে মাতা ত্ৰিপুৰা সুন্দৰী মন্দিৰত প্ৰাৰ্থনা আগবঢ়াব। কাইলৈ অৰুণাচল প্ৰদেশ ভ্ৰমণ সামৰি প্ৰধানমন্ত্ৰীগৰাকী বিয়লিৰ ভাগলৈ আগৰতলাত উপস্থিত হোৱাৰ কথা।

০০০০০

আন্তঃৰাষ্ট্ৰীয় শান্তি দিৱস উপলক্ষে এখন শান্তিপূৰ্ণ বিশ্ব গঢ়াৰ ক্ষেত্ৰত সকলোৰে সমান দায়িত্ব আছে বুলি আজি নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেফিউ ৰিঅ'ই দোহাৰে। এই দিৱসে সদভাৱ, ন্যায় আৰু মিলা প্ৰীতি অধিক শক্তিশালী কৰাৰ বাবে সকলোকে অনুপ্ৰেৰণা যোগাব বুলি শ্ৰীৰিঅ'ই আশা প্ৰকাশ কৰে। উপ-মুখ্যমন্ত্ৰী ৱাই পেট্ৰনেও শান্তি দিৱস উপলক্ষে সকলো নাগৰিককে দয়া, সহযোগিতা আৰু ভাৱ বিনিময়ৰ ক্ষেত্ৰত থকা তেওঁলোকৰ উমৈহতীয়া দায়বদ্ধতাৰ ক্ষেত্ৰত নতুনত্ব আনিবলৈ আহ্বান জনায়। দেশসমূহক একত্ৰিত কৰিব পৰা সমূহীয়া প্ৰচেষ্টাই হওক বা আমাৰ বিভিন্ন সম্প্ৰদায়ৰ মাজত দয়াবান আৰু কৰুণাৰ সৰু সৰু কাৰ্যৰেই হওক, সমাজৰ প্ৰতিজন ব্যক্তিৰে এই ক্ষেত্ৰত থকা দায়িত্বৰ বিষয়ে তেওঁ বিশেষ গুৰুত্ব

আৰোপ কৰে। সংঘাতৰ পৰিৱৰ্তে বুজাবুজিৰ আৰু ভয়ৰ পৰিৱৰ্তে আশাৰ এটা ভৱিষ্যতহে আমাৰ সন্তান সকলৰ প্ৰাপ্য বুলিও শ্ৰীপেট্ৰনে উল্লেখ কৰে।

ooooo

ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে বিদেশ মন্ত্ৰালয়ৰ সহযোগত কাইলৈৰ পৰা ছদিনীয়াকৈ নতুন দিল্লীত ভাৰতীয় কাৰিকৰী আৰু অৰ্থনৈতিক সহযোগিতা কাৰ্যবাহী সামৰ্থ বিকাশ কাৰ্যসূচীৰ আয়োজন কৰিছে। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে এই কাৰ্যসূচীৰ জৰিয়তে মানৱ অধিকাৰৰ বিভিন্ন দিশ তথা আন্তঃৰাষ্ট্ৰীয় দৃষ্টিভংগীৰ বিষয়ে জনোৱাৰ লগতে আয়োগৰ অভিজ্ঞতাৰ জৰিয়তে গ্লোবেল ছাউথ অৰ্থাৎ অৰ্থনৈতিকভাৱে পিছপৰা দেশসমূহৰ বিভিন্ন মানৱ অধিকাৰ প্ৰতিষ্ঠানৰ অংশগ্ৰহণকাৰীসকলৰ মাজত সজাগতা বৃদ্ধি কৰিব বিচৰা হৈছে বুলি উল্লেখ কৰিছে। এই কাৰ্যসূচীয়ে মানৱ অধিকাৰক সন্মান, সুৰক্ষিত আৰু উদযাপন কৰা এখন পৃথিৱী গঢ়াৰ বাবে আয়োগৰ প্ৰতিশ্ৰুতিবদ্ধতাকে সূচাই বুলি বিবৃতিটোত উল্লেখ কৰা হৈছে।

ooooo

এজন ব্যক্তিয়ে যদি নিজৰ জীৱনটো মানৱ সেৱা বিশেষকৈ দিব্যাংগসকলৰ প্ৰতি সেৱা আগবঢ়াই তেন্তে তেওঁৰ কামে আন বহুতকে অনুপ্ৰেৰণা যোগোৱাই নহয় বৰঞ্চ এনে মহান কাম কৰিবলৈও বহুতক অনুপ্ৰেৰণা যোগাই বুলি গৃহমন্ত্ৰী অমিত শ্বাহে মন্তব্য কৰে। ৰাজস্থানৰ যোধপুৰত শ্ৰী পাৰ্চমল বহৰা মহাবিদ্যালয়ৰ এটা নতুন ভৱনৰ আধাৰশিলা স্থাপন কৰি তেওঁ এইদৰে কয়। সমাজ সেৱাৰ এটা ক্ষুদ্ৰ প্ৰচেষ্টাই দিব্যাংগসকলৰ বাবে বৃহৎ পৰিৱৰ্তন আনিব পাৰে বুলি গৃহমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে দিব্যাংগসকলক সহানুভূতিৰ দৃষ্টিৰে চোৱাৰ পৰিৱৰ্তে ঈশ্বৰত্বৰ প্ৰতীক হিচাপেহে গন্য কৰা উচিত। সমাজ, চৰকাৰ আৰু স্বেচ্ছাসেৱী সংগঠনৰ উমৈহতীয়া প্ৰচেষ্টাত একোৱে অসম্ভৱ নহয় বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। পেৰা অলিম্পিকত ভাৰতে ৫২টা পদক লাভ কৰাৰ কথা উল্লেখ কৰি তেওঁ কয়, যে দিব্যাংগসকলৰ মনৰ শক্তিক অনুপ্ৰেৰণা যোগালে তেওঁলোকে যে যিকোনো কাম কৰিব পাৰে এই সাফল্য তাকেই সূচায়।

ooooo

কাইলৈৰ পৰা উদযাপন হ'বলগীয়া নৱৰাত্ৰি উপলক্ষে জম্মু-কাশ্মীৰৰ কাট্ৰা নগৰী আৰু ত্ৰিকূট পাহাৰত থকা শ্ৰীমাতা বৈষ্ণোদেৱী মন্দিৰ, লাখ লাখ ভক্তক আদৰাৰ বাবে সম্পূৰ্ণ ৰূপে সাজু হৈ উঠিছে। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জনোৱা অনুসৰি ভক্ত সকলৰ সুবিধাৰ্থে তথা তীৰ্থযাত্ৰীসকলৰ আধ্যাত্মিক যাত্ৰাৰ অভিজ্ঞতা সূচল আৰু মধুৰ কৰি তোলাটো নিশ্চিত কৰাৰ উদ্দেশ্যে মন্দিৰ পৰিষদে যাৱতীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। ৯ দিন ধৰি উদযাপন কৰিবলগীয়া এই পবিত্ৰ পৰ্বৰ বাবে ভৈৰৱ মন্দিৰ, অৰ্ধকুৱৰী আৰু বৈষ্ণোবদেৱী মন্দিৰলৈ উঠি যোৱা সমগ্ৰ পথছোৱা ৰং-বিৰঙী আলোকসজ্জা আৰু ফুলেৰে সজাই পৰাই তোলা হৈছে।

ooooo

চীনৰ ছেনঝেনত অনুষ্ঠিত চাইনা মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ফাইনেলত আজি ভাৰতৰ স্বাত্বিকছাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটী পৰাস্ত হয়। শীৰ্ষ বাছনিৰ বিশ্ব চেম্পিয়ন দক্ষিণ কোৰিয়াৰ কিম ৱন হো আৰু চিউ চিউং জেৰ হাতত ভাৰতীয় যুটীটো ২১-১৯, ২১-১৫ ফলাফলত

পৰাস্ত হয়। ছেমি ফাইনেলত অষ্টম বাছনিৰ ভাৰতীয় যুটীটোৱে দুবাৰৰ অলিম্পিক পদক বিজয়ী মালয়েছিয়াৰ আৰন ছিয়া আৰু ছ' বুই য়িক কালি ২১-১৭, ২১-১৪ ফলাফলত পৰাস্ত কৰিছিল।

দুটা সপ্তাহৰ ভিতৰত ভাৰতৰ খেলুৱৈৰ ফাইনেলত এয়া দ্বিতীয়টো পৰাজয়। ইয়াৰ পূৰ্বে যোৱা সপ্তাহত হংকং অপেনৰ ফাইনেলত ভাৰতীয় খেলুৱৈয়ে পৰাজয় বৰণ কৰিছিল।

ooooo

এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি হ'বলগীয়া ছুপাৰ ফ'ৰ পৰ্যায়ৰ দ্বিতীয়খন খেলত ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত